# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

**Date : 27**-08-2024
**Time :** 1715Hrs.

***ASSAMESE REGIONAL EVENING BULLETIN***

**::::::::::::::::::::::::::::::::::::**

মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই হত্যা, ধৰ্ষণ আদিক সামাজিক অপৰাধ বুলি অভিহিত কৰিছে। অসম বিধান সভাৰ শৰৎকালীন অধিৱেশনৰ আজি দ্বিতীয় দিনা নাৰী নিৰ্যাতন, আলফাৰ দ্বাৰা বোমা স্থাপন আৰু ৰাজ্যৰ আইন-শৃংখলা পৰিস্থিতি ব্যৰ্থ হোৱা বুলি অভিযোগ তুলি বিৰোধী পক্ষৰ কেইবাগৰাকীও বিধায়কে উত্থাপন কৰা সভা স্থগিত প্ৰস্তাৱত হস্তক্ষেপ কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে এইদৰে প্ৰকাশ কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে কাইলৈ ৰাজ্যৰ জনগাঁথনি পৰিৱৰ্তনৰ তথ্য দিব বুলিও ঘোষণা কৰে। কংগ্ৰেছ, এ আই ইউ ডি এফ, চি পি এম আৰু বিধায়ক অখিল গগৈয়ে সুকীয়া সুকীয়াকৈ সভা স্থগিত প্ৰস্তাৱ উত্থাপন কৰাৰ প্ৰত্যুত্তৰত মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে, ৰাজ্যৰ এখন জিলাৰ পৰা আন জিলালৈ যাব পৰাটো সাংবিধানিক অধিকাৰ হ'লেও সামাজিক কিছু প্ৰক্ৰিয়াও থাকে। নামনিৰ মানুহ উজনিলৈ যাবই বুলি কোৱাটো এটা আগ্ৰাসী মনোভাৱ বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে মন্তব্য কৰে। ৰাজ্যৰ আইন শৃংখলা পৰিস্থিতি বিঘ্নিত হোৱাৰ অভিযোগ তুলি চি পি এমৰ বিধায়ক মনোৰঞ্জন তালুকদাৰে প্ৰথমটো সভা স্থগিত প্ৰস্তাৱ উত্থাপন কৰে। এ আই ইউ ডি এফৰ বিধায়ক ড০ ৰকিবুল ইছলামে ৰাজ্যৰ আইন শৃংখলা পৰিস্থিতি সন্দৰ্ভত সভা স্থগিত প্ৰস্তাৱ উত্থাপন কৰে। উজনি অসমৰ জিলা বিশেষত বসবাস কৰা এটা বিশেষ সম্প্ৰদায়ৰ লোকক সেই স্থান ত্যাগ কৰিবলৈ ৩০টা সংগঠনে সময়সীমা বান্ধি দিয়া কাৰ্যত বিধায়কজনে উদ্বেগ প্ৰকাশ কৰি সভা স্থগিত প্ৰস্তাৱ উত্থাপন কৰে। বিৰোধী দলপতি দেৱব্ৰত শইকীয়াও আইন শৃংখলাৰ চূড়ান্ত অৱনতিৰ অভিযোগ কৰি সভা স্থগিত উত্থাপন কৰে। একেদৰে বিধায়ক অখিল গগৈও আইন শৃংখলা পৰিস্থিতিৰ অৱনতি ঘটা বুলি অভিযোগ কৰি মুখ্যমন্ত্ৰী তথা গৃহমন্ত্ৰীৰ পদত্যাগ দাবী কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে চাৰিজন বিধায়কে উত্থাপন কৰা সভা স্থগিত প্ৰস্তাৱৰ উত্তৰ দিবলৈ গৈ বিৰোধী পক্ষক তীব্ৰ সমালোচনা কৰে। মুখ্যমন্ত্ৰীৰ বক্তব্যৰ বিৰোধিতা কৰি বিৰোধী পক্ষই অধ্যক্ষৰ আসনৰ সন্মুখত হাতে হাতে প্লেকাৰ্ড লৈ প্ৰতিবাদ সাব্যস্ত কৰে। এনে পৰিস্থিতিত অধ্যক্ষই ১০ মিনিটৰ বাবে সদন স্থগিত ৰাখে।

ইপিনে, খাদ্য, ৰাজহুৱা বিতৰণ আৰু বিতৰণ পৰিক্ৰমা মন্ত্ৰী ৰণজিত কুমাৰ দাসে ৰাজ্যখনত ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আঁচনিৰ অধীনত ২ কোটি ৩১ লাখ ৯৭ হাজাৰৰো অধিক হিতাধিকাৰীক সামৰি ৬৬ লাখ ৮৬ হাজাৰৰো অধিক ৰেচন কাৰ্ড প্ৰদান কৰা হৈছে বুলি প্ৰকাশ কৰে। বিধানসভাৰ প্ৰশ্নোত্তৰকালত সোধা এটা প্ৰশ্নৰ উত্তৰত মন্ত্ৰীগৰাকীয়ে এই কথা প্ৰকাশ কৰে। তেওঁ লগতে যদিহে কোনো যোগ্য লোক বা পৰিয়াল ৰেচন কাৰ্ড লাভৰ পৰা বঞ্চিত হৈ আছে, তেন্তে এই ব্যক্তিসকলক বাছনি কৰি পৰ্যায়ক্ৰমে ৰেচন কাৰ্ড প্ৰদান বা কাৰ্ডত নাম অন্তৰ্ভুক্ত কৰাৰ বাবে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি উল্লেখ কৰে।

০০০০০০০০

ৰাজ্যত যোৱা ছমাহত পথ দুৰ্ঘটনা ৪৫ শতাংশ বৃদ্ধি পাইছে। অৱশ্যে, সময়মতে আগবঢ়োৱা চিকিৎসা সাহায্যৰ বাবে দুৰ্ঘটনাত মৃত্যু হোৱা লোকৰ সংখ্যা ২৫ শতাংশ হ্ৰাস পাইছে বুলি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই সামাজিক মাধ্যমযোগে প্ৰকাশ কৰিছে।

০০০০০০০০

বৰপেটা সত্ৰত আজি পৰম্পৰাগত ৰীতি নীতিৰে শ্ৰীকৃষ্ণৰ জন্মাষ্টমীৰ পিছৰ দিনটো নন্দোৎসৱ হিচাপে পালন কৰা হৈছে। এই উপলক্ষে সত্ৰৰ চোতালত শিশুসকলে তেল মিহলি বোকা খেল খেলি আনন্দ প্ৰকাশ কৰে। আনহাতে সত্ৰৰ ৰীতি অনুসৰি পুৱাৰ গীত, ভটিমা গাই, বন্তি প্ৰজ্বলন, নাম প্ৰসংগত চৰণ, যুগল, পটল আৰু শিশু লীলাৰ ঘোষা গোৱা হয়। উৎসৱৰ সৈতে সংগতি ৰাখি কীৰ্তন ঘৰৰ ভিতৰত শ্ৰীৰাম আতা বিৰচিত নন্দোৎসৱ নাটখনৰ নৃত্য শিশুসকলে পৰিৱেশন কৰে। ইয়াৰ পাছতে দৈৱজ্ঞই শ্ৰী কৃষ্ণৰ জন্মৰ গণনা প্ৰতিকীভাৱে সম্পন্ন কৰে। গায়ন-বায়ন প্ৰমুখ্যে ভকতসকলে নাম পৰিৱেশন কৰি গুৰু আসন প্ৰদক্ষিণ কৰে। এই প্ৰক্ৰিয়া মঠৰ চোতালত সামৰণি পৰাৰ লগে লগে নন্দোৎসৱৰ সামৰণি পৰে।

০০০০০০০০

ৰাজ্যৰ বিভিন্ন প্ৰান্তত আজি কেইবাটাও দল-সংগঠনে এ পি ডি চি এলৰ প্ৰিপেইড স্মাৰ্ট মিটাৰ সংস্থাপনৰ পাছত বিদ্যুৎ মাচুল বৃদ্ধি হোৱা বুলি প্ৰতিবাদ সাবস্ত কৰে। কংগ্ৰেছ, আম আদমী পাৰ্টীৰ উপৰি সদৌ অসম ছাত্ৰ সন্থাৰ কৰ্মীসকলেও বিভিন্ন জিলাত প্ৰতিবাদী কাৰ্যসূচী গ্ৰহণ কৰে।

সদৌ নগাঁও জিলা ছাত্ৰ সন্থাই আজি চহৰখনৰ মাজেৰে এটা প্ৰতিবাদী কাৰ্যসূচী গ্ৰহণ কৰে। একেদৰে তামুলপুৰতো জিলা ছাত্ৰসন্থাই স্মাৰ্ট মিটাৰত বিদ্যুৎ মাচুল বৃদ্ধি তথা অনিয়মিত বিদ্যুৎ যোগানৰ বিৰুদ্ধে প্ৰতিবাদ সাব্যস্ত কৰে। কংগ্ৰেছ দলৰ উদ্যোগত বৰপেটা জিলাৰ লগতে অন্যান্য কেইবাটাও অঞ্চলত এই বিষয়টোৰ বিৰুদ্ধে প্ৰতিবাদ সাবস্ত কৰা হয়। বৰপেটা জিলাৰ চেঙা বিদুৎ বিভাগৰ সংমণ্ডলৰ কাৰ্যালয়ৰ সন্মুখত আজি বহুলোকে প্ৰতিবাদ সাবস্ত কৰেয়। একেদৰে অসম প্ৰদেশ কংগ্ৰেছৰ নিৰ্দেশ মৰ্মে শিৱসাগৰ জিলাৰ নাজিৰা আৰু শিমলুগুৰিত প্ৰতিবাদী কাৰ্যসূচী গ্ৰহণ কৰা হয়। সদৌ অসম ছাত্ৰ সন্থাৰ শিৱসাগৰ জিলা সমিতিয়েও আজি প্ৰতিবাদ সাবস্ত কৰে।

০০০০০০০০

সংযুক্ত আৰৱ আমিৰি ৰাষ্ট্ৰ ইউ এ ইত হ'বলগীয়া মহিলাৰ আই চি চি টি টুৱেণ্টি বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ বাবে ঘোষণা কৰা ভাৰতীয় দলত ৰিজাৰ্ভ খেলুৱৈ হিচাপে অসমৰ উমা ছেত্ৰীয়ে স্থান লাভ কৰিছে। ভাৰতীয় ক্ৰিকেট নিয়ন্ত্ৰণ পৰিষদে ঘোষণা কৰা ১৫ জনীয়া দলটোৰ অধিনায়ক হিচাপে হৰমনপ্ৰীত কৌৰ আৰু স্মৃতি মান্ধানাক উপ-অধিনায়ক হিচাপে দায়িত্ব দিয়া হৈছে। অহা ৩ অক্টোবৰৰ পৰা হ'বলগীয়া প্ৰতিযোগিতাখনত ১০টা দলে অংশগ্ৰহণ কৰিব। ভাৰতে অহা ৬ অক্টোবৰত ডুবাইত পাকিস্তানৰ বিৰুদ্ধে হ'বলগীয়া খেলখনেৰে অভিযান আৰম্ভ কৰিব।

০০০০০০০০

ঃসমাপ্তঃ